২১ জুন ২০২২ চন, আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস। হাজী আনফৰ আলী কলেজৰ CELL FOR INSTITUTIONAL AND SOCIAL RESPONSIBILITY আৰু DEPARTMENT OF HISTORY য়ে কলেজৰ প্ৰেক্ষাগৃহত লগতে ডবকা জুনিয়ৰ কলেজত অগা -পিছাকৈ ঘন্টাযোৰা দুখনি যোগাসন সম্পৰ্কীয় সজাগতা মূলক সভা অনুষ্ঠিত কৰে।ড০কবিতা দেৱীয়ে আতঁধৰা অনুষ্ঠানটিৰ সভাপতিৰ আসন অলংকৃত কৰে ডবকা জুনিয়ৰ কলেজৰ উপাধ্যক্ষ মহোদয়ে। ড০ কবিতা দেৱীয়ে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি যোগাসনৰ গুৰুত্ব সম্পৰ্কে নৱ-প্ৰজন্মক অৱগত কৰে।




সভাত হাজী আনফৰ আলী কলেজৰ মাননীয় অধ্যক্ষ ড০মামুন আজম বৰভূঞা ছাৰ , উপাধ্যক্ষ মহোদয় , শিক্ষা বিভাগৰ মুৰব্বী সহকাৰী অধ্যাপক চিবিৰ আহমেদ ওচমানি আৰু বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক হামিদ তালুকদাৰ আদি অভিজ্ঞ ব্যক্তিয়ে যোগাসনৰ ইতিবাচক দিনবোৰৰ বিতং আলোচনা দাঙি ধৰে। সকলো জাতি-জনগোষ্ঠীয়ে শাৰীৰিক -মানসিক বিকাশৰ হেতু যোগাসন কৰাৰ যোগাত্মক দিশবোৰ আঙুলিয়াই দিয়ে ডবকা জুনিয়ৰ কলেজৰ MD ছাৰে। তিনিদিনীয়া যোগাসন কৰ্মশালাৰ অভিজ্ঞতাৰ ব্যাখ্যা আগবঢ়াই ছাত্ৰী মাচুমাই।ড০কবিতা দেৱীয়ে প্ৰাণায়াম কৰাৰ নিয়ম সম্পৰ্কে অৱগত কৰাৰ লগতে শলাগৰ শৰাই আগবঢ়ায়। শেষত সভাপতি মহোদয়ে তেখেতৰ সাৰুৱা ভাষণেৰে সভাভঙ্গ কৰে।